# সদৌ অসম কবি সন্মিলন

[All Assam Poet’s Association]

স্থাপিত ঃ ১৯৮৭ চন

পঞ্জীয়ন নং-RS/SIV/256/D/2013-14

## সংবিধান

THE CONSTITUTION

অষ্টবিংশতিতম্ দুলিয়াজান অধিবেশন ঃ ২০১৭ত সংশোধিত

# সদৌ অসম কবি সন্মিলন

## [All Assam Poet's Association]

### স্থাপিত ঃ ১৯৮৭ চন

**প্ৰাক-কথা** (Preamble) :

**১৯৮৭** চনৰ ছেপ্তেম্বৰ মাহত উদ্যোগ-নগৰী নামৰূপত অসমৰ বিভিন্ন প্ৰান্তৰৰ পৰা অহা সত্তৰজনৰো অধিক কবিৰ সমাৱেশত অসমৰ ন-পুৰণি কবিসকলৰ এখন মুকলি মঞ্চ গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সমবেত কবিমণ্ডলীয়ে এনে এখন মুকলি মঞ্চ গঠনৰ যোগেদি অসমৰ সকলো কবিৰ মাজত পাৰস্পৰিক সৌহাদ্য বৃদ্ধিৰ উপৰিও অসমীয়া ভাষা আৰু অসমৰ থলুৱা জনগোষ্ঠীসমূহৰ বিভিন্ন ভাষাৰ কবিতাক সংহত আৰু নিটোল ৰূপত গঢ় দি অদূৰ ভৱিষ্যতে এক ইতিবাচক ভূমিকা পালনৰ ক্ষেত্ৰত অসমৰ কবি সমাজক অনুপ্ৰাণিত কৰিব বুলি দৃঢ় মত প্ৰকাশ কৰে। এনে এখন মুকলি মঞ্চ গঠনৰ কথা অসমৰ ন-পুৰণি কবিসকলে বহুত দিনৰ পৰাই উপলব্ধি কৰি আহিছিল। নামৰূপত সমবেত হোৱা কবিমণ্ডলীয়ে সেই উপলব্ধিক বাস্তৱত ৰূপ দিয়াৰ ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি এই সংবিধান প্ৰস্তুত কৰিছে।

**পৰিচ্ছেদ—১ ঃ নাম**

অসমৰ ন-পুৰণি কবিসকলৰ এই মুকলি মঞ্চৰ নাম হ'ব 'সদৌ অসম কবি সন্মিলন' (All Assam Poet's Association) ইয়াৰ পিছত কেৱল 'সন্মিলন' বুলি উল্লেখ কৰা হ'ব।

**পৰিচ্ছেদ —২ ঃ উদ্দেশ্য**

(ক) অসমৰ ন-পুৰণি কবিসকলক আৰু কবিসকলৰ সংগঠনসমূহক সন্মিলনৰ পতাকাৰ তলত সংগঠিত কৰা।

(খ) পাদ-প্ৰদীপৰ অন্ধকাৰত লুকাই থকা অসমীয়া ভাষা আৰু অসমৰ বিভিন্ন জনগোষ্ঠীয় ভাষাসমূহৰ নতুন কবিসকলক সাহিত্যানুৰাগী বৃহত্তৰ

জনসমাজৰ সমুজ্জ্বল আলোকত উদ্‌ভাসিত হ'বলৈ সকলো প্ৰকাৰে সহায় কৰা।

(গ) কবিৰ ব্যক্তিত্ব আৰু কবিসত্তাৰ বিকাশ সাধন, কবিৰ স্বাধীনতা আৰু স্বকীয়তাৰ মৰ্যাদা সুৰক্ষিত কৰা।

(ঘ) অসমীয়া ভাষা আৰু অসমৰ থলুৱা জনগোষ্ঠীসমূহৰ বিভিন্ন ভাষাৰ কবিতাৰ ব্যাপক প্ৰচাৰ, অনুবাদ আৰু কবিতাক জনপ্ৰিয় কৰি তোলা।

**পৰিচ্ছেদ—৩ ঃ কাৰ্যক্ষেত্ৰ**

(ক) অসম ৰাজ্যই সন্মিলনৰ কাৰ্যক্ষেত্ৰ হ'ব।

(খ) এই সন্মিলন কোনো দলগত, ৰাজনৈতিক আৰু সাম্প্ৰদায়িক বিষয়ৰ লগত সংশ্লিষ্ট নাথাকিব।

**পৰিচ্ছেদ—৪ ঃ সংগঠন**

সন্মিলনৰ সংগঠনক তিনিটা স্তৰত থাকিব

১। প্ৰাথমিক স্তৰ তথা শাখাসমূহ
২। জিলা সন্মিলন
৩। ৰাজ্যিক স্তৰ

**১। প্ৰাথমিক স্তৰ ঃ**

(ক) কেৱল কবি, কবিতাৰ সমালোচক, কাব্যানুৰাগী আৰু অনুষ্ঠানৰ শুভাকাংক্ষী তথা সাহিত্যানুগাৰী লোককহে সদস্যভৰ্ত্তি কৰিব পাৰিব।

(খ) অসমৰ বিভিন্ন অঞ্চলত সংগঠিত আৰু সন্মিলনৰ অৰ্ন্তভূক্তি কৰি লোৱা কবিচক্ৰসমূহক সন্মিলনৰ শাখা হিচাপে স্বীকৃতি দিয়া হ'ব। কবিচক্ৰসমূহৰ নামৰ পিছত 'সদৌ অসম কবি সন্মিলন' ৰ অৰ্ন্তভূক্ত বুলি উল্লেখ কৰিব।

(গ) একেখন চহৰ বা গ্ৰামাঞ্চলত আঞ্চলিক ভিত্তিত এটা মাথোন এনে কবি চক্ৰই সন্মিলনৰ শাখা হিচাপে স্বীকৃতি পাব। কিন্তু গুৱাহাটী বা তেনে ডাঙৰ চহৰ বা ডাঙৰ অঞ্চলত একাধিক কবি চক্ৰই অন্তৰ্ভুক্তি ল'ব পাৰিব।

ইয়াৰ পিছত কবিচক্ৰসমূহক 'শাখা' বুলি উল্লেখ কৰা হ'ব।

(ঘ) শাখাসমূহে কেন্দ্ৰীয় সমিতিয়ে প্ৰধান কৰা প্ৰ-পত্ৰৰ যোগেদি সদস্য



ভৰ্তি কৰিব। অথবা পকা ৰেজিষ্টাৰ বহীত নাম, ঠিকনা, বৰঙণি আৰু সদস্যৰ চহী লৈ সদস্য ভৰ্ত্তি কৰিব।

(ঙ) সন্মিলনৰ সংবিধান, ঘোষণা-পত্ৰ আৰু কৰ্মসূচী মানি লোৱাই হ'ব এই কবিচক্ৰসমূহৰ স্বীকৃতিৰ ভিত্তি।

(চ) শাখাসমূহে দ্বিবাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰিব আৰু সদস্যসকলৰ মাজৰপৰা শাখা কাৰ্যনিৰ্বাহক নিৰ্বাচন কৰিব। শাখা কাৰ্যনিৰ্বাহক **১৫** জনীয়া হ'ব।

সভাপতি আৰু সম্পাদকসহ শাখা কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়াসকল তলত দিয়াধৰণে হ'ব —

১. সভাপতি
২. সম্পাদক
৩. উপ-সভাপতি (দুজন)
৪. সহকাৰী সম্পাদক (দুজন)
৫. ধন ভৰালী
৬. প্ৰচাৰ সম্পাদক (এজন)
৭. সাংগঠনিক সম্পাদক (এজন)
৮. পত্ৰিকা সম্পাদক
৯. কাৰ্যনিৰ্বাহক সদস্য- **৫** জন

(ছ) শাখাসমূহে অঞ্চল ভিত্তিত স্ব-ৰচিত কবিতা পাঠৰ অনুষ্ঠান, আবৃত্তিৰ অনুষ্ঠান আৰু আলোচনা চক্ৰ আদি পাতিব পাৰিব। কিন্তু তেনে অনুষ্ঠানলৈ অসমৰ বিভিন্ন ঠাইৰ কবিক আমন্ত্ৰণ জনালেও 'সদৌ অসম' বা 'জিলা ভিত্তিত অনুষ্ঠিত কবি সন্মিলন' বুলি ঘোষণা কৰিব নোৱাৰিব।

(জ) স্বীকৃতিৰ বাবে প্ৰতিটো শাখাত ন্যুনতম **৩০** জন কবি, কাব্য-সমালোচক, কাব্যানুৰাগী, শুভাকাংক্ষী বা সাহিত্যানুৰাগী লোক সদস্য ভৰ্তি হ'ব লাগিব।

(ঝ) শাখা তথা সন্মিলনৰ সদস্যসকল এবাৰ মাত্ৰ এবছৰৰ বাবেহে সদস্য হ'ব পাৰিব। দ্বিতীয় বা পৰৱৰ্তী বছৰত নৱীকৰণ হ'ব লাগিব।

(ঞ) যি ঠাইত শাখা নাথাকে সেই ঠাইৰ কবি, সমালোচক, কাব্যানুৰাগী, শুভাকাংক্ষী বা সাহিত্যানুৰাগী লোকে নিৰ্দিষ্ট বৰঙণি আদায় দি কেন্দ্ৰীয় সমিতিৰ পৰা পোনপটীয়াকৈ সদস্য পদ ল'ব পাৰিব।

(ট) স্বীকৃতিপ্ৰাপ্ত শাখাসমূহৰ প্ৰতিজন সদস্যকে মূল সন্মিলনৰো সদস্য বুলি গণ্য কৰা হ'ব।

(ঠ) শাখাসমূহে প্ৰতি বছৰত এখনকৈ বাৰ্ষিক অধিৱেশন পাতিব লাগিব।

(ড) প্ৰতিটো শাখাই সন্মিলনৰ দ্বি-বাৰ্ষিক প্ৰতিবেদন মূল কাৰ্যালয়ত জমা দিব লাগিব। অন্যথা দ্বি-বাৰ্ষিক অধিৱেশনত সকলো প্ৰকাৰৰ অংশগ্ৰহণৰ পৰা বঞ্চিত হ'ব।

(ঢ) শাখাসমূহে মূল অধিবেশনৰ আৰু জিলা অধিবেশনৰ আগে আগে

১। বছৰেকীয়া কাৰ্যকলাপৰ বিৱৰণী ;

২। বছৰেকীয়া আয়-ব্যয়ৰ হিচাপ ;

৩। সদস্যসকলৰ নাম-ঠিকনা, আৰু কেন্দ্ৰীয় সমিতিক দিবলগীয়া বৰঙণি আদায় দিব লাগিব।

(ণ)) শাখাৰ প্ৰতি পোন্ধৰজন সদস্যৰ ভিতৰত এজনকৈ সন্মিলনৰ অধিৱেশনত প্ৰতিনিধিত্ব কৰিব পাৰিব। কবিতা পাঠৰ অনুষ্ঠানত যোগদান কৰিব পাৰিব, কিন্তু সেই সদস্যসকলৰ নাম যথাবিধি মূল কাৰ্যালয়ৰ সদস্যৰ পঞ্জীয়ন বহীত অন্তৰ্ভুক্ত থাকিব লাগিব।

(ত) শাখাসমূহৰ আয়-ব্যয় তথা পুঁজিৰ সকলো দায়িত্ব সংশ্লিষ্ট শাখাৰ ওপৰত থাকিব। কিন্তু তাৰ বিৱৰণী সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যালয়ত দাখিল কৰা প্ৰতিবেদনত থাকিব লাগিব।

(থ ) শাখাসমূহৰ দ্বি-বাৰ্ষিক অধিৱেশন মূল সন্মিলনৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ অন্ততঃ তিনিমাহৰ আগতে হ'ব লাগিব।

(দ) শাখাসমূহে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰিবলৈ নিজাকৈ দান-বৰঙণি বহী ছপা কৰি ল'ব পাৰিব। সদস্য ভৰ্ত্তি প্ৰ-পত্ৰ বা নবীকৰণৰ বহী কেন্দ্ৰীয় সমিতিৰ পৰা সংগ্ৰহ কৰিব লাগিব।

(ধ) শাখা আৰু জিলা সমিতিৰ প্ৰতিজন ৰাজ্যিক সদস্য ভৰ্ত্তিৰ বৰঙণি ৬০ টকা। প্ৰতিজন নতুন সদস্য ভৰ্ত্তি মাচুল হ'ব ৬০ টকা। পুৰণি সদস্য নবীকৰণৰ মাচুল হ'ব ৫৫ টকা। যেনেঃ নতুন সদস্য - ২৫ (নবীকৰণৰ ২০) + শাখাৰ বাবে ১০ টকা + জিলাৰ বাবে ১৫ + ৰাজ্যিক সাধাৰণ পুঁজিলৈ ১০ টকা। ইয়াৰ উপৰিও সদস্যসকলে নিজ ইচ্ছামতে কেন্দ্ৰীয় সমিতিৰ পুঁজিৰ বাবে দান-বৰঙণি আগবঢ়াব পাৰিব।

(প) শাখা নথকা অঞ্চলৰ ব্যক্তিসদসস্যসকলে সদস্য ভৰ্ত্তিৰ বৰঙণি



৬০ টকা পোনপটীয়াকৈ কেন্দ্ৰীয় কাৰ্যালয়ত জমা দিব পাৰিব।

(ফ) প্ৰতিটো শাখাই শাখাৰ বৰঙণি হিচাপে প্ৰতি বছৰে কেন্দ্ৰীয় কাৰ্যালয়ত সন্মিলনৰ অধিবেশনৰ আগতে ১০০ টকা বছেৰেকীয়া বৰঙণি দিব লাগিব। তেনেদৰে জিলাসমূহে অধিবেশনৰ আগে আগে কেন্দ্ৰীয় কাৰ্যালয়ত ২০০ টকা বৰঙণি দিব লাগিব।

(ব) প্ৰতিটো শাখাই কাব্যপত্ৰিকা "নতুন কবিতা" ১৫ টা কপি আৰু ছমহীয়া মুখপত্ৰ "সমলয়'ৰ ১০ টা কপি ক্ৰয় কৰাটো বাধ্যতামূলক। তেনেদৰে জিলা সমূহে "নতুন কবিতা" ২৫ টা কপি আৰু "সমলয়" ২০ টা কপি ক্ৰয় কৰাটো বাধ্যতামূলক।

(ভ) প্ৰতিখন শাখাই নুন্যতম ১০ জন আজীৱন সদস্য ভৰ্ত্তি কৰোৱা বাধ্যতামূলক। জিলাসমূহে ২০ জন আজীৱন সদস্য ভৰ্ত্তি কৰাব লাগিব।

(ম) কবি, সমালোচক, কাব্যানুৰাগী, শুভাকাংক্ষী বা সাহিত্যানুৰাগী লোকক **২০৩০.০০** (দুহেজাৰ ত্ৰিশ) টকা বৰঙণি সংগ্ৰহ কৰি সন্মিলনৰ আজীৱন সদস্য পদ দিয়া হ'ব।

(য) **২০৩০.০০** (দুহেজাৰ ত্ৰিশ) টকা বৰঙণি দি সন্মিলনৰ আজীৱন সদস্য হ'ব পাৰিব।

(ৰ) **৫০০০.০০** (পাঁচ হেজাৰ) টকা বৰঙণি দি সন্মিলনৰ হিতৈষী সদস্য হ'ব পাৰিব।

## ২। জিলা স্তৰ ঃ

(ক) জিলাৰ অন্তৰ্ভুক্ত শাখাসমূহৰ সদস্যৰ উপস্থিতিত জিলা সন্মিলন গঠন হ'ব।

(খ) বছৰত কমেও তিনিখন কবি সন্মিলন, কবিতা সম্পৰ্কী অনুষ্ঠান, আবৃত্তিৰ কৰ্মশালা আৰু কবিতাক জনপ্ৰিয় কৰাৰ এক বাতাবৰণ সৃষ্টি কৰাৰ আঁচনি জিলা সন্মিলনে গ্ৰহণ কৰিব। লগতে কবিতা পুথি প্ৰকাশ, কবিতা সম্পৰ্কীয় আলোচনী প্ৰকাশৰ উদ্যোগ ল'ব। কবি সন্মিলন আদি অনুষ্ঠানৰ লগতে জিলা কাৰ্যনিৰ্বাহক বছৰত তিনিবাৰ আহ্বান কৰিব।

(গ) জিলা সন্মিলনে জিলাখনৰ সংগঠনত অধিক গুৰুত্ব দিব।

(ঘ) জিলা সন্মিলনৰ দ্বাৰা আয়োজিত অনুষ্ঠান সম্বন্ধে কেন্দ্ৰীয় সমিতিক

আগতীয়াকৈ জনাব।

(ঙ) শাখাসমূহে জিলা অধিৱেশনত জিলা সমিতি **২১** জন সদস্যৰে গঠন কৰিব।

(চ) সভাপতি আৰু সম্পাদকসহ জিলা কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়াসকল তলত দিয়াধৰণে হ'ব —

১. সভাপতি
২. সম্পাদক
৩. উপ-সভাপতি (দুজন)
৪. সহকাৰী সম্পাদক (দুজন)
৫. ধন ভৰালী
৬. প্ৰচাৰ সম্পাদক (দুজন)
৭. সাংগঠনিক সম্পাদক (দুজন)
৮. পত্ৰিকা সম্পাদক (এজন)
৯. কাৰ্য্যালয় সম্পাদক (এজন)
১০. কাৰ্যনিৰ্বাহক সদস্য- আঠ জন

(চ) প্ৰতি শাখাৰ পৰা জিলাই বছৰত এবাৰ ৫০/- টকা বৰঙণি সংগ্ৰহ কৰিব।

(জ) পুঁজিৰ হিচাপ কেন্দ্ৰীয় সমিতিৰ প্ৰধান সম্পাদকক জমা দিব লাগিব।

(ঝ) ৰাজ্যিক সমিতিয়ে প্ৰদান কৰা বঁটা আৰু উপাধিসমূহ একে নামাকৰণেৰে শাখা বা জিলা সমিতিয়ে প্ৰদান কৰিব নোৱাৰিব। অৱশ্যে শাখা বা জিলা সমিতিয়ে নিজা ববীয়াকৈ বঁটা বা উপাধি প্ৰদান কৰিব পাৰিব যদিও এনে সিদ্ধান্ত লোৱাৰ আগতে কেন্দ্ৰীয় সমিতিৰ সতে আগতীয়াকৈ যোগাযোগ কৰি চূড়ান্ত সিদ্ধান্ত ল'ব।

**৩। ৰাজ্যিক স্তৰ**

ৰাজ্যিক স্তৰত সন্মিলনৰ সংগঠন তিনি খলপীয়া হ'ব—

(১) **ৰাজ্যিক সাধাৰণ পৰিষদ;**

(২) **সভাপতীয় উপদেষ্টা সমিতি** (Presidential Advisory Council);



(৩) **ৰাজ্যিক কাৰ্যনিৰ্বাহক।**

**(১) ৰাজ্যিক সাধাৰণ পৰিষদ**

(ক) প্ৰতিখন শাখাৰ পৰা শাখাই বাৰ্ষিক অধিৱেশনত নিৰ্বাচন কৰি দিয়া এজনকৈ প্ৰতিনিধিৰে ৰাজ্যিক সাধাৰণ পৰিষদ গঠন হ'ব। গতিকে ৰাজ্যিক সাধাৰণ পৰিষদৰ সদস্য সংখ্যা শাখাৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰিব। ইয়াৰ পিছত 'পৰিষদ' বুলি উল্লেখ থাকিব।

(খ) পৰিষদ বছৰত তিনিবাৰকৈ বহিব। প্ৰথম, সন্মিলনৰ বাৰ্ষিক অধিৱেশনৰ এমাহৰ ভিতৰত। দ্বিতীয়, ছয় মাহৰ ভিতৰত আৰু তৃতীয়, বাৰ্ষিক অধিৱেশনৰ এমাহৰ আগত।

(গ) পৰিষদৰ বৈঠকত গোটেই বছৰটোৰ বাবে ল'বলগীয়া কাৰ্যসূচীৰ ওপৰত আলোচনা আৰু গ্ৰহণ, দ্বিতীয় বৈঠকত প্ৰথম বৈঠকত গৃহীত কাৰ্যসূচীৰ মধ্যকালীন খতিয়ান আৰু তৃতীয় বৈঠকত গোটেই বছৰটোৰ খতিয়ান আৰু বাৰ্ষিক অধিৱেশনৰ পৰিকল্পনা।

(ঘ) সন্মিলনৰ প্ৰধান সম্পাদকেই পৰিষদৰ আহ্বায়ক হ'ব আৰু সন্মিলনৰ সভাপতিয়েই পৰিষদত সভাপতিত্ব কৰিব।

(ঙ) সন্মিলনৰ সভাপতিয়ে পৰিষদৰ বৈঠকলৈ অতি কমেও তিনিজন বিশিষ্ট কবি-সাহিত্যিকক বিশেষভাৱে আমন্ত্ৰণ কৰিব পাৰিব।

(চ) এক তৃতীয়াংশ সদস্যৰ উপস্থিতিত বৈঠকৰ থুল গঠিত হ'ব।

**(২) সভাপতীয় উপদেষ্টামণ্ডলী**

সদৌ অসম কবি সন্মিলনক সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ উপৰিও ৰাজ্যিক স্তৰত এখন সভাপতীয় উপদেষ্টা সমিতি (Presidential Advisory Council) থাকিব।

(ক) দ্বি-বাৰ্ষিক অধিৱেশনৰ বিদায়ী কাৰ্যনিৰ্বাহকে অন্তিম কাৰ্যনিৰ্বাহকত সভাপতিয় উপদেষ্টা মণ্ডলীৰ বাবে পাঁচজন সদস্যৰ নাম প্ৰস্তাৱ কৰিব। এই সমিতিৰ সভাপতি আৰু প্ৰধান সম্পাদককে ধৰি মুঠ সাতজন সদস্য থাকিব। প্ৰতিনিধি সভাই অনুমোদন জনাব। এই পাঁচোজন সদস্য অসমৰ সাহিত্য ক্ষেত্ৰলৈ; বা অসমৰ কাব্য সাহিত্যত স্বীকৃত অৱদান থকাৰ উপৰিও বিশেষকৈ "সদৌ অসম কবি

সন্মিলন”ৰ আজীৱন সদস্য আৰু সাংগাঠনিক দক্ষতা থকা ব্যক্তি হ'ব লাগিব।

(খ) এই পাঁচজন সদস্যৰ পেনেলৰ পৰাই প্ৰতিনিধিসকলে বিষয় বাচনী সভাত আগন্তুক ৰাজ্যিক সমিতিৰ সভাপতি হিচাপে যি কোনো এগৰাকী ব্যক্তিক নিৰ্বাচিত কৰিব পাৰিব। ৰাজ্যিক নৱ-নিৰ্বাচিত সভাপতিৰ বাবে এজন বা কেইবাজনো ব্যক্তিৰ নাম বিষয়বাচনী সভাত প্ৰস্তাৱিত হ'লে বুজাবুজিৰ মাধ্যমেদি বা প্ৰয়োজন সাপেক্ষে নিৰ্বাচনী প্ৰক্ৰিয়াৰ মাজেৰে সভাপতি নিৰ্বাচন কৰিব লাগিব।

(গ) এই সমিতিৰ প্ৰত্যেকজন ব্যক্তিৰ মুন্যতম ৫০ ৰ পৰা উৰ্দ্ধৰ ৮০ বছৰ বয়স হ'ব লাগিব।

(ঙ) প্ৰধান সম্পাদকেই এই সমিতিৰ আহ্বায়ক হ'ব।

(চ) উপদেষ্টা সমিতিয়ে সকলো সময়তে ৰাজ্যিক কাৰ্যনিৰ্বাহকক উপদেষ্টা আদি দিয়াৰ উপৰিও বিশেষ পৰিস্থিতিত প্ৰয়োজনবশতঃ সিদ্ধান্ত দিব পাৰিব। প্ৰকৃতাৰ্থত এই সমিতি নিৰ্ধাৰিত কাৰ্যকালছোৱাত এখন উচ্চ ক্ষমতাসম্পন্ন সমিতি হিচাপে গণ্য হ'ব।

(ছ) কেৱল উপদেষ্টামণ্ডলীৰ সদস্যসকলকহে সমিতিৰ বৈঠকত যোগ দিবলৈ আহোঁতে সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ ফালৰপৰা যাতায়াতী আৰু থকা-মেলাৰ সুবিধা দিয়া হ'ব।

**(৩) ৰাজ্যিক কাৰ্যনিৰ্বাহক**

(ক) দ্বি-বাৰ্ষিক অধিৱেশনত প্ৰতিনিধি সভাই নিৰ্বাচিত কৰা ৰাজ্যিক কাৰ্যনিৰ্বাহক সমিতিয়েই সৰ্বোচ্চ ক্ষমতাসম্পন্ন সমিতি হ'ব।

(খ) অসমৰ সকলো জিলাক প্ৰতিনিধিত্ব কৰিব পৰাকৈ ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ সদস্য সংখ্যা **৩৫** জন হ'ব।

(গ) যদি কোনো জিলাত স্বীকৃতপ্ৰাপ্ত শাখা নাথাকে অৰ্থাৎ দ্বি-বাৰ্ষিক অধিৱেশনৰ প্ৰতিনিধি সভাত কোনো জিলাৰ প্ৰতিনিধি নাথাকিলে বেছি সংখ্যক শাখা থকা জিলাৰপৰা আৰু ব্যক্তিগত সদস্যসকলৰ পৰা খালি থকা সদস্য পদ নৱ-নিৰ্বাচিত ৰাজ্যিক সমিতিয়ে পূৰণ কৰি ল'ব পাৰিব।

(ঘ) প্ৰতিনিধি সভাত উপস্থিত থকা প্ৰতি জিলাৰ প্ৰতিনিধিসকলৰ অধিৱেশনথলীত হোৱা জিলা ভিত্তিক বিষয় সভাত জিলাৰ কাৰ্যনিৰ্বাহক সদস্য নিৰ্বাচিত কৰিব।



(ঙ) কাৰ্যনিৰ্বাহক সভাত অসমৰ **৩১** জিলাৰ **৩১** জন সদস্যৰ উপৰিও সভাপতি আৰু প্ৰধান সম্পাদকক প্ৰতিনিধি সভাই (প্ৰয়োজনসাপেক্ষে গোপন ভোটৰ জৰিয়তে) নিৰ্বাচন কৰিব।

(চ) পূৰ্বৱৰ্তী কাৰ্যনিৰ্বাহক সভাপতি আৰু প্ৰধান সম্পাদকে পদেন সদস্য হিচাপে থাকিব। পদেন সদস্যৰ ভোটাধিকাৰ নাথাকিব।

(ছ) সভাপতি আৰু প্ৰধান সম্পাদকসহ ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়াসকল তলত দিয়াধৰণে হ'ব —

১. সভাপতি
২. প্ৰধান সম্পাদক
৩. উপ-সভাপতি (তিনিজন)
৪. সহকাৰী সম্পাদক (তিনিজন)
৫. ধন ভৰালী
৬. প্ৰকাশন বিষয়া
৭. ন্যাস বিষয়া
৮. প্ৰচাৰ সম্পাদক (তিনিজন)
৮. সাংগঠনিক সম্পাদক (তিনিজন)
৯. আইন উপদেষ্টা
৯. কাৰ্যালয় সম্পাদক
৯. সমলয়- (ক) সভাপতি, (খ) সম্পাদক
১০. মুখপত্ৰ (নতুন কবিতা) উপসমিতি
  ১. সম্পাদক
  ২. সহযোগী সম্পাদক
  ৩. ব্যৱস্থাপক সম্পাদক
১১. কাৰ্যনিৰ্বাহক সদস্য- **১১** জন

(জ) পৰৱৰ্তী বছৰৰ সভাপতি আৰু সম্পাদক যদি পুনৰ নিৰ্বাচিত হয়, তেনেহ'লে কাৰ্যনিৰ্বাহকৰ সদস্য সংখ্যা **৩৫** জনেই থাকিব। সহকাৰী সম্পাদক তিনিজনৰ এজন সাংগঠনিক, এজন ন্যাস আৰু এজন প্ৰশাসনৰ লগত সংযুক্ত হ'ব।

চ) সকলো জিলা সামৰি এখন শক্তিশালী পূণাঙ্গ ৰাজ্যিক সমিতি গঠন কৰা উচিত।

(ঝ) কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিখন ৩৫ জনীয়া হ'ব।

(ট) দ্বি-বাৰ্ষিক অধিৱেশনৰ প্ৰতিনিধি সভাই এখন তিনিজনীয়া নিৰ্বাচন পৰিচালনা সমিতি গঠন কৰি দিব। এই সমিতিয়ে সভাপতি আৰু প্ৰধান সম্পাদকৰ নিৰ্বাচন পৰিচালনা কৰিব। প্ৰতিনিধি সভাৰ সকলো প্ৰতিনিধিয়েই আলোচনাৰ ভিত্তিত সভাপতি উপদেষ্টা সমিতিৰ নামৰ পৰা এজনৰ নাম সভাপতি আৰু উক্ত পূৰ্বৰ কাৰ্যনিৰ্বাহক সদস্যৰ মাজৰ পৰা প্ৰধান সম্পাদকৰ নাম গোপনভাৱে, লিখিত আকাৰে প্ৰস্তাৱ কৰিব। সৰ্বাধিক প্ৰস্তাৱিত ব্যক্তিয়েই সভাপতি আৰু সম্পাদকৰ নিৰ্বাচিত হ'ব।

(ঠ) পূৰ্বৰ কেন্দ্ৰীয় সমিতিৰ সদস্য বা বিষয়ববীয়াইহে প্ৰধান সম্পাদকৰ দৰে বিষয়বাবত প্ৰাথীত্বৰ নাম প্ৰস্তাৱ কৰিব পাৰিব। মনোনীত বা আমন্ত্ৰিত সদস্যই প্ৰধান সম্পাদকৰ বাবে প্ৰাৰ্থী হিচাপে নাম প্ৰস্তাৱ কৰিব নোৱাৰিব।

(ড) পাঁচজনীয়া মুখপত্ৰ উপ-সমিতি এখন থাকিব। উপ-সমিতিৰ সদস্যসকলৰ সকাৰ্যনিৰ্বাহকৰ সদস্য নহ'বও পাৰে। মুখপত্ৰ প্ৰকাশনৰ দায়িত্ব আৰু ব্যৱস্থাপনা এই উপসমিতিৰ ওপৰত থাকিব। উপ-সমিতিখন কাৰ্যনিৰ্বাহকে নিৰ্বাচন কৰিব।

(ঢ) প্ৰকাশনৰ বিষয়াৰ উপৰিও এখন পাঁচজনীয়া প্ৰকাশন উপ-সমিতি থাকিব। কাৰ্যনিৰ্বাহকে এই সমিতি নিৰ্বাচন কৰি দিব। এই সমিতিৰ সদস্যসকল কাৰ্যনিৰ্বাহকৰ সদস্য নহ'বও পাৰে। মুখপত্ৰৰ বাদে সন্মিলনৰ কিতাপ-পত্ৰ আৰু অন্যান্য প্ৰকাশনৰ দায়িত্ব এই সমিতিৰ ওপৰত থাকিব।

(ণ) সন্মিলনৰ এটি স্থায়ী পুঁজি থাকিব। লক্ষ্য পূৰণ নোহোৱালৈকে স্থায়ী পুঁজিৰ সুত পৰ্যন্ত খৰচ কৰিব নোৱাৰিব। স্থায়ী পুঁজিৰ এজন পুঁজি ৰক্ষক বিশেষ বিষয়া থাকিব। তেওঁ কাৰ্যনিৰ্বাহকৰ সদস্য হ'ব লাগিব আৰু কাৰ্যনিৰ্বাহকে মনোনীত কৰিব।

(প) কাৰ্যনিৰ্বাহক সভা বা আন কোনো গুৰুত্বপূৰ্ণ কাৰ্যসূচীত সভাপতি উপস্থিত থাকিব নোৱাৰিলে সভাপতিয়ে আগতীয়াকৈ উপ-সভাপতি তিনিজনৰ এজনক দায়িত্ব দিব।

(ফ) দ্বি-বাৰ্ষিক অধিবেশনৰ এমাহৰ আগতেই মুখপত্ৰ "নতুন কবিতা" সমলয়, প্ৰকাশন বিভাগ আৰু ন্যাস বিভাগৰ সম্পাদক সকলে সকলোধৰণৰ হিচাপ-পত্ৰ প্ৰধান সম্পাদকক দাখিল কৰিব লাগিব। প্ৰধান সম্পাদকে এই সকলো হিচাপ-পত্ৰ হিচাব পৰীক্ষক সমিতিক দাখিল কৰিব আৰু অধিবেশনত



প্ৰধান সম্পাদকে আয়-ব্যয় হিচাপ দাঙি ধৰিব।

(ব) পুৰণি কাৰ্যনিৰ্বাহক সমিতিৰ পৰা অঞ্চলভিত্তিক সাতোজন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্যক নতুন সমিতিত অন্তৰ্ভুক্ত কৰা হ'ব।

(ভ ) এক-তৃতীয়াংশ সদস্যৰ উপস্থিতিত কাৰ্যনিৰ্বাহকৰ থুল গঠিত হ'ব।

(ম) সমিতিৰ কাৰ্যকাল দুবছৰীয়া হ'ব।

**পৰিচ্ছেদ—৫ ঃ কাৰ্যালয়**

(ক) সন্মিলনৰ স্থায়ী কাৰ্যালয় নোহোৱালৈকে প্ৰধান সম্পাদক য'ৰ পৰা নিৰ্বাচিত হ'ব সন্মিলনৰ প্ৰধান কাৰ্যালয়ো সেই ঠাইতে থাকিব।

(ক) কাৰ্যালয় সম্পাদকে কাৰ্যালয়ৰ কাম-কাজসমূহ পৰিচালা কৰিব।

**পৰিচ্ছেদ—৬ ঃ পুঁজি**

সন্মিলনৰ পুঁজি তিনিধৰণে থাকিব। কেউটা পুঁজিৰে সামগ্ৰিক লেন-দেনৰ ক্ষেত্ৰত প্ৰধান সম্পাদক আৰু ধনভৰালী দায়বদ্ধ থাকিব।

১। মুখপত্ৰৰ পুঁজি
২। প্ৰকাশনৰ পুঁজি
৩। স্থায়ী পুঁজি

**১। সাধাৰণ পুঁজি ঃ**

(ক) সন্মিলনৰ সাধাৰণ পুঁজি সদস্যসকলৰ দান-বৰঙণি আৰু শাখাসমূহৰ অন্তৰ্ভুক্তিৰ বৰঙণিৰে গঠিত হ'ব।

(খ) সাধাৰণ পুঁজিৰ পৰা সন্মিলনৰ যোগাযোগ (চিঠি পত্ৰ) আৰু সন্মিলনৰ কামত সভাপতি, সম্পাদক আৰু বিশেষভাৱে নিয়োজিত বিষয়ববীয়াৰ যাতায়াতী আৰু কাৰ্যালয়ৰ যাৱতীয় খৰচ আদি বহন কৰা হ'ব।

(গ) সাধাৰণ পুঁজিৰ লেন-দেন প্ৰধান সম্পাদকৰ যোগেদি হ'ব।

(ঘ) সাধাৰণ পুঁজিৰ বেংকৰ হিচাপ (একাউন্ট) সাধাৰণ সম্পাদক আৰু ধনভঁৰালীৰ মাজত যুটীয়া স্বাক্ষৰত পৰিচালিত হ'ব।

(ঙ) সাধাৰণ সম্পাদকৰ হাতত ৫০০০/- টকাতকৈ বেছি নগদ ধন থাকিব নোৱাৰিব।

(চ) ৰাষ্ট্ৰীয়কৃত বেংকত সন্মিলনৰ নামত এক বা একাধিক বেংক একাউণ্ট খুলিব পাৰিব।

**২। মুখপত্ৰৰ পুঁজি**

(ক) মুখপত্ৰৰ বাবে পোৰা বছৰেকীয়া বৰঙণি আৰু মুখপত্ৰৰ বাবে বিশেষভাৱে সংগৃহীত ধনেৰে মুখপত্ৰৰ পুঁজি গঠন হ'ব।

(খ) এই পুঁজি কেৱল মুখপত্ৰৰ বাবে ব্যয় হ'ব।

(গ) ব্যৱস্থাপক আৰু ধন ভঁৰালীৰ নামত যুটীয়া বেংকৰ হিচাপ (একাউণ্ট) থাকিব।

(ঘ) ব্যৱস্থাপকে মুখপত্ৰৰ বিতং হিচাপ প্ৰতিখন কাৰ্যনিৰ্বাহক বৈঠকৰ আগতে প্ৰধান সম্পাদকৰ হাতত দিব লাগিব।

**৩। প্ৰকাশনৰ পুঁজি**

(ক) প্ৰকাশন পুঁজি প্ৰকাশনৰ বাবে বিশেষভাৱে সংগৃহিত দান-বৰঙণি, অনুদান, সাহায্যমূলক সাংস্কৃতিক অনুষ্ঠান আদিৰে গঠিত হ'ব।

(খ) প্ৰকাশন পুঁজিৰ বেংকৰ হিচাব (একাউণ্ট) প্ৰকাশন বিষয়া আৰু ধন ভঁৰালীৰ যুটীয়া নামত থাকিব। কাৰ্যনিৰ্বাহকে অনুমোদন জনালেহে গ্ৰন্থ প্ৰকাশ কৰিব পাৰিব। গ্ৰন্থৰ প্ৰকাশ কৰাৰ দায়িত্ব সন্মিলনৰ প্ৰধান সম্পাদকৰ ওপৰত ন্যস্ত থাকিব।

(গ) প্ৰকাশন বিষয়াই প্ৰকাশনৰ হিচাপ প্ৰতিখন কাৰ্যনিৰ্বাহক বৈঠকৰ আগতে প্ৰধান সম্পাদকৰ হাতত দিব লাগিব।

(ঘ) সন্মিলনৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ আগতে প্ৰকাশন বিষয়াই প্ৰকাশনৰ যাৱতীয় আয়-ব্যয়ৰ সম্পূৰ্ণ হিচাব প্ৰধান সম্পাদকৰ হাতত দাখিল কৰিব।

(ঙ) প্ৰকাশন বিভাগে গ্ৰন্থৰ পৰিকল্পনা, ছপা আৰু মুদ্ৰণৰ ব্যৱস্থা কৰিব।

**পৰিচ্ছেদ — ৭ ঃ ৰাজ্যিক অধিৱেশন**

(ক) ৰাজ্যিক অধিবেশন দ্বি-বৰ্ষত দুখন অধিবেশন অনুষ্ঠিত হ'ব। এখন মধ্যকালীন আৰু এখন পূৰ্ণাঙ্গ অধিবেশন।

(খ) ৰাজ্যিক অধিবেশন মে' মাহত অনুষ্ঠিত হ'ব।

(গ) অধিবেশনসমূহত প্ৰতি তিনিজন প্ৰতিনিধি আৰু দুজন দৰ্শক



প্ৰতিনিধি, জিলা সমূহৰ পৰা পাঁচজন প্ৰতিনিধি আৰু দুজন দৰ্শক প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰিব পাৰিব। দৰ্শক প্ৰতিনিধিৰ ভোটাধিকাৰ নাথাকে।

(ঘ) পূৰ্ণাঙ্গ ৰাজ্যিক অধিবেশনত প্ৰত্যেক শাখা, জিলাৰ একোজন প্ৰতিনিধিৰে “ৰাজ্যিক সাধাৰণ পৰিষদ”ত প্ৰধান সম্পাদকেই মূখ্য আহ্বায়ক হ'ব আৰু কেন্দ্ৰীয় সমিতিৰ সভাপতিয়েই সভাৰ সভাপতিত্ব কৰিব।

(ঙ) দ্বি-বাৰ্ষিক অধিৱেশনৰ বিষয় বাছনি সভা তথা প্ৰতিনিধি সভাই সন্মিলনৰ সৰ্বোচ্চ ক্ষমতাৰ অধিকাৰ হ'ব। অন্য সময়ত কাৰ্যনিৰ্বাহক এই ক্ষমতাৰ অধিকাৰী হ'ব।

(চ) অধিৱেশনত স্ব-ৰচিত কবিতা পাঠ, আলোচনা চক্ৰ, কবিতাৰ আবৃত্তি, মূল সভা, বঁটা-উপাধি প্ৰদান, আজীৱন হিতৈষী সদস্যৰ স্বীকৃতি, গ্ৰন্থ উন্মোচন আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব।

(ছ) অধিৱেশনত অসমীয়া ভাষাৰ উপৰিও অসমৰ অন্যান্য থলুৱা ভাষা তথা বড়ো, মিচিং, দেউৰী, টাই আদি ভাষাৰে স্ব-ৰচিত কবিতা পাঠ অনুষ্ঠিত হ'ব। তদুপৰি ইংৰাজী, হিন্দী, বঙালী আদি বিভিন্ন ভাষাৰ স্ব-ৰচিত কবিতা পাঠৰ সুবিধা থাকিব।

(জ) পূণাঙ্গ আৰু মধ্যকালীন অধিবেশনত আজীৱন সদস্য আৰু হিতৈষী সদস্য সকলৰ বাবে এটা কাৰ্যসূচী থকাটো বাধ্যতামূলক। এই কাৰ্যসূচীত সম্বৰ্দ্ধনা আৰু কবিতাৰ অনুষ্ঠান থাকিব।

(ঝ) অধিৱেশনতেই পৰৱৰ্তী অধিৱেশনৰ স্থান আমন্ত্ৰণক্ৰমে নিৰ্বাচিত হ'ব।

(ঞ) অধিৱেশনৰ সকলো কাৰ্যসূচী, নিমন্ত্ৰণ আদি অভ্যৰ্থনা সমিতিয়ে সন্মিলনৰ সভাপতি আৰু প্ৰধান সম্পাদকৰ লগত আলোচনাক্ৰমে তৈয়াৰ কৰিব।

(ট) বাৰ্ষিক অধিৱেশনত সভাপতিয়ে মুকলি সভাত সভাপতিত্ব কৰিব। নৱ-নিৰ্বাচিত সভাপতিয়ে তেওঁৰ কাৰ্যকালৰ অধিবেশনত সভাপতিত্ব কৰিব।

(ঠ) সভাপতিয়ে সন্মিলনৰ মুখ্য কাৰ্যকৰ্তা হ'ব।

**পৰিচ্ছেদ — ৮ ঃ আইন সম্পৰ্কীয় প্ৰশ্ন**

সন্মিলনৰ আইন সম্পৰ্কীয় সকলো প্ৰশ্নতেই আইন উপদেষ্টাৰ ওপৰত মুখ্য দায়িত্ব থাকিব।

**পৰিচ্ছেদ — ৯ ঃ অনুশাসন মূলক বিধি ঃ**

(ক) কাৰ্যনিৰ্বাহক সদস্যই একেৰাহে তিনিখন কাৰ্যনিৰ্বাহকত উপস্থিত নাথাকিলে সেই কাৰ্যনিৰ্বাহক সদস্যপদ বাতিল হ'ব। (চিকিৎসাধীন হৈ থাকিলে সভাক অৱগত কৰিব লাগিব)

(খ) সন্মিলনৰ সংবিধানৰ নীতি বৰ্হিভূত যিকোনো প্ৰচাৰ, বক্তব্য আৰু অৰ্থ সম্পৰ্কীয় লেন-দেন আদিত জড়িত হোৱা কোনো সদস্যৰ প্ৰমাণ তথ্য সহকাৰে পালে জৰুৰীভাৱে কেন্দ্ৰীয় সমিতিয়ে সিদ্ধান্ত লৈ সেই সদস্যজনক প্ৰাথমিক সদস্যৰ পৰাও বহিষ্কাৰ কৰিব পাৰিব।

(গ) কেন্দ্ৰীয় সমিতিৰ প্ৰধান সম্পাদকৰ বাদে জিলা আৰু শাখা সমিতিৰ সম্পাদকে প্ৰধান সম্পাদক শব্দটো ব্যৱহাৰ কৰিব নোৱাৰিব।

**পৰিচ্ছেদ — ১০ ঃ পতাকা**

(ক) সন্মিলনৰ পতাকাৰ ৰং পাতল সেউজীয়া হ'ব।

(খ) পতাকা **২:৩** অনুপাতৰ হ'ব আৰু পতাকাত সন্মিলনৰ প্ৰতীক অংকিত থাকিব।

**পৰিচ্ছেদ — ১১ ঃ প্ৰতীক**

(ক) থলুৱা সংস্কৃতিৰ প্ৰতিনিধিত্ব বুজাবলৈ এখনি শৰাইৰ আৰ্হিৰে সন্মিলনৰ প্ৰতীক পৰিকল্পনা কৰা হৈছে ক'লা শক্তিৰ (Black Force) কথা বুজাবলৈ প্ৰতীকৰ মাজত অন্ধকাৰৰ প্ৰাচীৰ। সেই ক'লা শক্তিৰ বিৰুদ্ধে কবিতাৰ সংগ্ৰামী শক্তি বুজাবলৈ কবিৰ প্ৰতিবাদৰ দৃঢ় আৰু বলিষ্ঠ মুঠিত এডাল কলম দিয়া হৈছে। কলমৰ নিবত শান্তিৰ বাণী দেশে-দেশে কঢ়িয়াই নিবলৈ বাংময় এজনী সৰু চৰাই। মাজত তিনিডাল বক্ৰৰেখাৰে তৰংগায়িত বহমান নদীৰ ৰূপ কল্পনাৰে কবিতাৰ গতিময়তাৰ কথা বুজোৱা হৈছে। প্ৰতীকৰ তলত সন্মিলনৰ কাব্য মন্ত্ৰৰ উল্লেখ আছে।

(খ) প্ৰতীক আৰু পতাকা সকলো শাখাই ব্যৱহাৰ কৰিব লাগিব।

**পৰিচ্ছেদ — ১২ ঃ** হিচাপ-পত্ৰ

(ক) প্ৰতিনিধি সভাই তিনিজনীয়া এখন হিচাপ পৰীক্ষা সমিতি গঠন কৰিক দিব।



(খ) হিচাপ পৰীক্ষা সমিতিয়ে দ্বি-বাৰ্ষিক অধিৱেশনৰ আগে আগে আটাইকেইটা পুঁজিৰ হিচাপ পৰীক্ষা কৰিব আৰু অধিৱেশনৰ আগৰ কাৰ্যনিৰ্বাহকত অনুমোদনৰ কাৰণে প্ৰধান সম্পাদকে সেই হিচাপ দাখিল কৰিব।

**পৰিচ্ছেদ —১৩ ঃ কাব্য-মন্ত্ৰ**

জ্যোতিপ্ৰসাদৰ কবিতা-

'সুন্দৰেযে ফুলাৰ মন্ত্ৰক অহোৰাত্ৰি মাতে,
সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে' স্তৱকটি কাব্য-মন্ত্ৰ হ'ব।

**পৰিচ্ছেদ— ১৪ ঃ সংবিধান সংশোধন**

(ক) দ্বি-বাৰ্ষিক অধিৱেশনৰ প্ৰতিনিধি সভাতহে সংবিধান সংশোধন বা সাল-সলনি ঘটাব পৰা হ'ব।

(খ) দ্বি-বাৰ্ষিক অধিৱেশনৰ তিনি মাহৰ আগতে সংবিধানৰ সংশোধনী শাখা বা জিলা সন্মিলনসমূহে কেন্দ্ৰীয় কাৰ্যালয়লৈ পঠাব লাগিব।

**প্ৰস্তাৱক ঃ** ৰাম গোস্বামী
স্বা. ৰাম গগৈ
**সমৰ্থক ঃ** অৱনীন্দ্ৰ বৰা
সভাপতি

* **১৯৮৮** চনৰ **২০, ২১, ২২** আৰু **২৩** অক্টোবৰত শোণিতপুৰ জিলাৰ জামুগুৰি হাটত অনুষ্ঠিত সন্মিলনৰ প্ৰথম পূৰ্ণাংগ অধিৱেশনৰ প্ৰতিনিধি সভাত গৃহীত।
* **২০১৭** চনৰ **২৬, ২৭** আৰু **২৮** মেত অষ্টবিংশতিম দুলিয়াজান অধিৱেশনত বিশেষভাৱে সংশোধিত।

# সদৌ অসম কবি সন্মিলন
## সামগ্ৰিক লক্ষ্য

সদৌ অসম কবি সন্মিলনে ইয়াৰ উদ্দেশ্য আৰু ঘোষণা পত্ৰৰ লগত সংগতি ৰাখি তলত দিয়া লক্ষ্যত উপনীত হ'বলৈ যত্নপৰ হ'ব।

### (ক) ৰাজ্যিক ভিত্তিত —

(১) সদৌ অসম কবি সন্মিলনে অসমত এটা কবিতাৰ কেন্দ্ৰ (Centre of Poetry) স্থাপন কৰিব। এই কেন্দ্ৰত অসমীয়া ভাষাৰ উপৰিও বিভিন্ন ভাষাৰ কাব্য গ্ৰন্থ, কাব্যৰ সমালোচনা গ্ৰন্থ, কাব্যালোচনী আদিৰ সংগ্ৰহ থাকিব, কবিতা সম্পৰ্কীয় গৱেষণাৰ কেন্দ্ৰ থাকিব আৰু সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যালয় থাকিব।

(২) সন্মিলনৰ পক্ষৰ পৰা প্ৰতি চাৰিমাহৰ মূৰে মূৰে (বছৰত তিনিখন) সুবৃহৎ কবিতা সংকলন প্ৰকাশ কৰিব।

(৩) সন্মিলনে প্ৰকাশিত অসমীয়া কবিতা পুথিৰ এখন পৰিচয়মূলক পুথি প্ৰকাশ কৰিব। এই পুথিত কবিসকলৰ নামৰ বিপৰীতে তেখেতসকলৰ প্ৰকাশিত কবিতা পুথিৰ নাম, প্ৰকাশকৰ নাম আৰু চন কেৱল উল্লেখ থাকিব। পৰৱৰ্তী কালত বছৰেকীয়া ভিত্তিত এনে চাৰিখন পুথি প্ৰকাশ কৰিব।

(৪) সন্মিলনে অসমৰ প্ৰতিষ্ঠিত গ্ৰন্থ প্ৰকাশন প্ৰতিষ্ঠানসমূহক প্ৰতিবছৰত অন্ততঃ এখনকৈ ব্যক্তিগত কবিৰ কাব্যসংকলন অথবা নিৰ্বাচিত কবিসকলৰ কবিতা সংকলন প্ৰকাশ কৰিবলৈ অনুৰোধ জনাব।

(৫) সন্মিলনে অহা দুবছৰৰ ভিতৰত তিনি লাখ টকাৰ এটা স্থায়ী পুঁজি নিৰ্মাণৰ ব্যৱস্থা কৰিব।

(৬) অন্যায় বা অৱহেলাৰ কাৰণে যিসকল বয়োবৃদ্ধ কবিক সাহিত্যিক পেঞ্চন দিয়া হোৱা নাই আৰু মৰণোত্তৰভাৱে যিসকলৰ প্ৰতি কোনো সাহায্য প্ৰদান কৰা হোৱা নাই সেইসকলক সাহিত্যিক পেঞ্চন দিবলৈ চৰকাৰৰ ওচৰত দাবী জনাব।

(৭) চৰকাৰী পুথিভঁৰালসমূহ তথা এনেধৰণৰ প্ৰতিষ্ঠানসমূহক প্ৰতিজন কবিৰ প্ৰকাশিত কবিতা পুথিৰ কমেও ৩০০/- কপি কিনিবলৈ অনুৰোধ জনাব।

(৮) সন্মিলনৰ পক্ষৰ পৰা সন্মিলনৰ মুখপত্ৰ মাহেকীয়া কাব্যপত্ৰিকা 'নতুন কবিতা' আৰু কবিতাৰ বাৰ্ষিক সমালোচনাত্মক মুখপত্ৰ 'সমলয়' প্ৰকাশ কৰিব।

### (খ) শাখা ভিত্তিত —

(৯) শাখাসমূহে নিজ নিজ এলেকাত কবি সমাৰোহ অনুষ্ঠিত কৰিব। সেই অনুষ্ঠানত স্ব-ৰচিত কবিতা পাঠৰ উপৰিও বিভিন্ন আলোচনীত প্ৰকাশিত কবিতা সম্পৰ্কীয় প্ৰবন্ধ আদি পাঠ কৰি আলোচনা কৰিব।

(১০) উল্লিখিত কৰা শাখাসমূহৰ কবি সমাৰোহ শাখাৰ সদস্যসকলৰ উপৰিও ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী আৰু অন্যান্য ৰাইজকো যোগদান কৰিবলৈ আহ্বান জনাব।

(১১) শাখাসমূহে নিজৰ কোনো সুকীয়া গৃহ নিৰ্মাণ কৰিবলৈ সমৰ্থ নহ'লেও কোনো সদস্যৰ ঘৰত কবিতাৰ সৰু গ্ৰন্থাগাৰ প্ৰতিষ্ঠা কৰিব আৰু নিয়মিত আৰু সুশৃংখলভাৱে পৰিচালনা কৰিব।

(১২) কবি সমাৰোহত কবিতাৰ প্ৰাচীৰ পত্ৰিকাৰ উপৰিও কবিতাৰ প্ৰদৰ্শনী, কুইজ আদি অনুষ্ঠিত কৰিব।

(১৩) সন্মিলনৰ পৰা প্ৰকাশিত মুখপত্ৰ আৰু সংকলনৰ বছৰেকীয়া নিয়মিত গ্ৰহক হ'ব। মুখপত্ৰ বিভিন্ন ব্যক্তিৰ ওচৰত বিক্ৰী কৰি নিয়মিতভাৱে তাৰ মাচুল আদায় দিবলৈ চেষ্টা কৰিব।

# সদৌ অসম কবি সন্মিলন

## উদ্দেশ্য আৰু খচৰা ঘোষণা-পত্ৰ

**উদ্দেশ্য ঃ**

অসমীয়া কবিতাক নিটোল ৰূপত গঢ়ি তুলিবলৈ—

(ক) অসমৰ কবি সমাজক একেখন মঞ্চত সমবেত কৰা।

(খ) পাদ-প্ৰদীপৰ অন্ধকাৰত লুকাই থকা অসমৰ নতুন কবিসকলক জনমানসৰ সমুজ্জ্বল আলোকত উদ্ভাসিত হ'বলৈ সকলো প্ৰকাৰে সহায় কৰা।

(গ) কবিসকলৰ ব্যক্তিত্ব আৰু কবি সত্তাৰ বিকাশ সাধন আৰু কবিৰ স্বাধীনতা আৰু স্বকীয়তাৰ মৰ্যাদা সুৰক্ষিত কৰা।

(ঘ) অসমীয়া তথা অসমৰ বিভিন্ন থলুৱা জনগোষ্ঠীৰ ভাষাসমূহৰ কবিতা জনমুখী আৰু জনপ্ৰিয় কৰি তোলা।

(ঙ) বিভিন্ন ভাষাৰ কবিতাৰ অনুবাদ,কাব্য গ্ৰন্থ আৰু কবিতাৰ সংকলন প্ৰকাশ কৰা।

(চ) অসমত পৰিকল্পিতভাৱে কবিতাৰ এটি কেন্দ্ৰ (Centre of Poetry) গঢ়ি তোলা, য'ত কবিতাৰ গ্ৰন্থাগাৰ, কবিতাৰ গৱেষণা কেন্দ্ৰ আৰু সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যালয় থাকিব।

**ঘোষণা-পত্ৰ ঃ**

১। সদৌ অসম কবি সন্মিলনে বিশ্বাস কৰে কবিসকলৰ এক বিৰল কল্পনা শক্তি বা প্ৰতিভা আছে। এই প্ৰতিভা এনে এক গভীৰ অৰ্ন্তদৃষ্টি, যি সৃষ্টিৰ প্ৰেৰণা



দিয়ে সি সত্য আৰু সুন্দৰৰ সন্ধান দিয়ে, আত্মানুসন্ধান তথা আত্ম জিজ্ঞাসাৰ মাজেদি কবি আৰু কলা সাধকৰ অন্তৰত গভীৰ প্ৰতীতিয়ে জন্ম দিয়ে। এই প্ৰতীতিয়েই কবিৰ প্ৰজ্ঞা।

২। কবিৰ প্ৰজ্ঞাই কবিসকলক সত্য, ন্যায়, স্বাধীনতা আৰু মানুহৰ গণতান্ত্ৰিক অধিকাৰৰ বাবে অবিৰত সংগ্ৰাম কৰিবলৈ অনুপ্ৰাণিত কৰে বুলি সদৌ অসম কবি সন্মিলনে বিশ্বাস কৰে। সকলো প্ৰকাৰৰ অন্যায় দুৰ্নীতি আৰু নিপীড়নৰ বিৰুদ্ধে, দৰিদ্ৰতাৰ বিৰুদ্ধে, যুদ্ধৰ বিৰুদ্ধে আৰু শান্তিৰ পক্ষে বৃহত্তৰ জনসাধাৰণক উজ্জীৱিত কৰাৰ গধুৰ দায়িত্ব কবিসকলৰ ন্যস্ত বুলি এই দায়িত্ব পালন কৰিবলৈ কবি সমাজক আহ্বান জনাব।

৩। সন্মিলনে সৰ্বদা নতুন মূল্যবোধৰ আদৰণি জনাব। সকলো ক্ষেত্ৰতে বৈজ্ঞানিক দৃষ্টিভংগীৰ পোষকতা কৰিব। বিপৰীতে যি পশ্চাৎগামী ক্ষয়িষ্ণু আৰু অৱক্ষীয়মান, যি স্থিতাৱস্থাৰ পক্ষে, যি মানুহৰ জীৱনক প্ৰাকৃতিক আৰু সামাজিক পৰিৱেষ্টনীৰ পৰা বিচ্ছিন্ন কৰে, যি সত্য আৰু সুন্দৰক মানুহৰ জ্ঞান-অনুভৱ, নীতিবোধ আৰু কৰ্মক্ষেত্ৰ পৰা আঁতৰাই নিয়াৰ প্ৰসায় কৰে, সেই সকলোবিলাকৰে প্ৰচণ্ড বিৰোধিতা কৰিব।

৪। সন্মিলনে কবিৰ স্বাধীনতা, স্বকীয়তা আৰু মৰ্যাদাৰ ওপৰত গুৰুত্ব দিব। শিল্পী সাহিত্যিক তথা কবি সমাজৰ সৃষ্টিশীল স্বাধীনতা আৰু বিকাশৰ এটা ৰূপ হিচাপে শিল্প সাহিত্য তথা কবিতাৰ ৰূপবস্তু বা আংগিকৰ (Form) ওপৰত গুৰুত্ব দিব। সন্মিলনে বিশ্বাস কৰে যে শক্তিশালী আংগিকৰ মাজেৰেহে শিল্পী-সাহিত্যিক তথা কবিসকলৰ সচেতন মনৰ বলিষ্ঠ আবেদন প্ৰতিফলিত হয়, কবিৰ স্বাধীনতাও স্বীকৃত আৰু প্ৰতিশ্ৰুতিবদ্ধ হয়।

৫। সন্মিলনে কবিৰ স্বাধীনতা তথা ৰূপবস্তু বা আংগিকৰ লগতে কবিৰ সামাজিক দায়বদ্ধতাৰ ওপৰতো গুৰুত্ব কৰিব। কিয়নো সন্মিলনে বিশ্বাস কৰে যে সকলো শুভবুদ্ধিসম্পন্ন মানুহেই আপোন বিবেকৰ ওচৰত দায়বদ্ধ হ'লেও সকলো ব্যক্তিৰেই এটা সামাজিক পৰিচয় আৰু সামাজিক সত্ত্বা আছে। সেই কাৰণেই বৃহত্তৰ সামাজিক বাস্তৱতা আৰু সেই বাস্তৱতাৰ সম্পৰ্কত দায়িত্ববোধ অৰ্থাৎ দায়বদ্ধতাক অস্বীকাৰ কৰিব নোৱাৰি। সন্মিলনে মত পোষণ কৰে form বা আংগিক যেনেকৈ কবিৰ স্বাধীনতাৰ এটা ৰূপ সেই দৰে এই দায়বদ্ধতাই হ'ল শিল্প সাহিত্য তথা কাব্যৰ বিষয়বস্তু বা Content।

৬।	সন্মিলনে ইয়াৰ উদ্দেশ্য প্ৰসংগত কবিতাক জনমুখী আৰু জনপ্ৰিয় কৰি তোলাৰ কথা কৈছে। জনমুখী আৰু জনপ্ৰিয় শিল্প-সাহিত্য কিছু পৰিমাণে নিম্ন মানৰ হোৱাতো অস্বাভাৱিক নহয়। সেই কাৰণে নতুন চাম কবিৰ ক্ষেত্ৰত অসমীয়া কবিতাক নিম্নমানলৈ নমাই নিয়াৰ যি অভিযোগ উঠিছে সন্মিলনে সেই অভিযোগ মানি নলয়। সন্মিলনে কিছু পৰিমাণে নিম্নমানৰ হ'লেও নিম্ন বা বিকৃত ৰুচিৰ প্ৰতিফলন নহ'লে তেনে শিল্প-সাহিত্যকো আদৰণি জনাব।

৭।	সদৌ অসম কবি সন্মিলনে অসমত এটা সংহত কাব্য আন্দোলন গঢ়ি তোলাৰ কথা কৈছে। অৰ্থাৎ সন্মিলনে আন্দোল আন্দোলন বুলি কওঁতে অসমৰ কাব্য জগতত এনে এক নতুন উদ্যমৰ কথা ক'ব বিচাৰিছে যি নতুন চিন্তাদৰ্শৰ জন্ম দিব; স্থিতাৱস্থা, আংগিক আৰু বিষয়বস্তুৰ গতানুগতিকতাৰ পৰিৱৰ্তে সকলো ক্ষেত্ৰতে নতুন তৰংগৰ সৃষ্টি কৰিব। বৃহত্তৰ স্বাৰ্থত পাঠক সমাজক সুস্থ জীৱনবোধৰ সন্ধান দিব, মানুহক ঐক্যবদ্ধ কৰিব, সুন্দৰ জীৱন যাপনৰ কাৰণে নিত্য নতুন কৰ্মক্ষেত্ৰত আত্মনিয়োগ কৰিবলৈ পাঠক তথা জনসাধাৰণক অনুপ্ৰাণিত কৰিব অৰ্থাৎ সমাজ-ৰূপান্তৰৰ সহায়ক হ'ব। এনে এক মহতী আন্দোলন কিভাৱে সংগঠন কৰা যাব পাৰে তাৰ বিষয়ে সন্মিলনে চিন্তা কৰিব আৰু পৰিকল্পনা গ্ৰহণ কৰিব।

৮।	শিল্প-সাহিত্য তথা কবিতাৰ সমালোচনাৰ ক্ষেত্ৰত কোনো ধৰণৰ দলীয় সংকীৰ্ণতাই স্থান পাব নোৱাৰিব। সমালোচনাৰ ক্ষেত্ৰত সন্মিলনে শিল্প-সাহিত্য সম্বন্ধীয় সকলো ধৰণৰ মতবাদৰ আলোচনা আৰু প্ৰকাশ আদৰণি জনালেও সঠিক বিচাৰভংগী আৰু বস্তুনিষ্ঠ সমালোচনাৰ ওপৰত গুৰুত্ব দিব।

৯।	সন্মিলনে বিশ্বাস কৰে যে, কেৱল কবিতাইহে উচ্চ স্তৰৰ সাংস্কৃতিক মানসিকতা সৃষ্টি কৰিব পাৰে। সেই কাৰণেই কবিতাক মানুহৰ প্ৰিয়তম সম্পদত পৰিণত কৰাই হ'ব সদৌ অসম কবি সন্মিলনৰ মূল লক্ষ্য।